# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল**
**(গুণোৎসৱৰ - ২০১৭ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ** ছাত্ৰ-ছাত্ৰীয়ে পঠন বোধ আহৰণ কৰি বাস্তৱ জীৱনৰ লগত সংযোগ স্থাপন কৰিব পৰা।

⇨ পঠনৰ অন্তৰ্নিহিত প্ৰশ্ন বা পাঠৰ বিষয়বস্তুৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ দিব পৰা।

⇨ কবি আৰু সাহিত্যিকসকলৰ জীৱন আৰু কৃতি সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিব পৰা।

⇨ কবিতা/পদ্য পঠন কৰি তাৰ মুলভাৱ লিখি পঢ়িব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন)লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) খেল-ধেমালি | - পাঠ নং ৬ |
| খ) প্ৰত্যাহ্বান | - পাঠ নং ৭ |
| গ) বৰফৰ দেশলৈ | - পাঠ নং ৮ |
| ঘ) গড়গাঁও | - পাঠ নং ৯ |
| ঙ) যান্ত্ৰিক মগজু | - পাঠ নং ১০ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱৰ ফলাফল অনুধাৱন কৰি দেখা গৈছে যে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পঠনবোধক বাস্তৱ জীৱনৰ লগত সংযোগ স্থাপনত বিফল হৈছে। আমি জানোঁ যে ভাষা শিকনৰ মুখ্য কৌশল চাৰিটা হ'ল — শ্ৰৱণ, কথন, পঠন আৰু লিখন। যিকোনো এটা পাঠ পঢ়ি তাৰ পৰা হ'ব পৰা প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ পঠনবোধ হোৱা দৰকাৰ। পাঠ এটা পঢ়ি বুজি পালেহে ছাত্ৰ-ছাত্ৰীয়ে পাঠটোত থকা তথ্য নিৰূপণ কৰিব পাৰিব, উদাহৰণ স্বৰূপে— তেওঁলোকে পাঠত পোৱা কবিতাৰ স্তৱক এটি পঢ়ি কবিতাটোৰ নাম চিনাক্ত কৰিব নোৱাৰে অথবা তেওঁলোকে পাঠত পোৱা গল্প এটি কোনখন গল্পপুথিৰ অন্তৰ্গত— তাৰ উত্তৰ দিয়াত অসমৰ্থ। গুণোৎসৱত মাত্ৰ ৪৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্য বিষয় বুজি বাস্তৱ জীৱনৰ লগত সম্পৃক্ত প্ৰশ্নৰ উত্তৰ দিবলৈ সক্ষম হৈছে। অৰ্থাৎ, বাকী ৫৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই পাঠ্য বিষয়বস্তুৰ অৰ্থ আয়ত্ত কৰাত অসমৰ্থ হৈছে। ই নিশ্চয়কৈ অতি উদ্বেগজনক বিষয়। ভাষা শিক্ষণৰ মূলতেই হৈছে ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক আৰু পৰিপূৰ্ণ ব্যক্তিত্বৰ বিকাশ সাধন কৰা। তেনেস্থলত প্ৰথম ভাষা বা মাতৃভাষা আহৰণত দেখা দিয়া এনে দুৰ্বলতা অতিশয় চিন্তনীয় বিষয়। ছাত্ৰ-ছাত্ৰীসকলৰ এনে শিকন ঘাটি দূৰ কৰাৰ বাবে প্ৰয়োজনীয় ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ উল্লেখ পাঠ্যপুথিৰ পাঠসমূহত আছে যদিও আৰু কিছু অতিৰিক্ত ক্ৰিয়া-কলাপ আৰু অনুশীলন সংযোগ কৰাৰ প্ৰয়োজন নিশ্চয় আছে। ছাত্ৰ-ছাত্ৰীৰ এনে দুৰ্বলতা দূৰীকৰণৰ বাবে প্ৰয়োজনীয় অনুশীলন আৰু ক্ৰিয়া-কলাপৰ বিষয়ে আমি এই সমলসামগ্ৰীৰ পৰা জানিব পাৰিম।

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| খ) কবি আৰু সাহিত্যিকসকলৰ জীৱন আৰু কৃতি সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | ➢ কবি, সাহিত্যিকৰ সংক্ষিপ্ত জীৱনীৰ চাৰ্ট | ক্ৰিয়া-কলাপ | খ)<br>প্ৰশ্নঃ- পদ্মধৰ চলিহাৰ ক'ত জন্ম হৈছিল ?<br>প্ৰশ্নঃ- তেখেতৰ ৰচিত গীতৰ পুথি কি কি ?<br>প্ৰশ্নঃ- তেখেতৰ কবিতা পুথি কেইখনৰ নাম লিখা।<br>প্ৰশ্নঃ- তেখেতক কি হিচাপে জনা যায় ?<br>ইত্যাদি। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| গ) কবিতাৰ মূলভাৱ লিখিব আৰু পঢ়িব পাৰিব। | ➢ পাঠ্যপুথিখন নিৰীক্ষণ কৰিব | | গ) 'গড়গাঁও' কবিতাটিৰ মূলভাৱ লিখি পঢ়িব পাৰিব। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

কল্পনা বৰা যোৰহাটৰ প্ৰাথমিক বিদ্যালয় এখনৰ শিক্ষয়িত্ৰী। তেখেতে সপ্তম শ্ৰেণীত ভাষা- (অসমীয়া)ৰ পাঠ শিকাবলৈ যাওঁতে কি ধৰণে পাঠদান কৰিছিল চাওঁ আহক।

কল্পনা বৰাই ছাত্ৰ-ছাত্ৰীৰ পাঠ্যবস্তুৰ বোধ সম্পূৰ্ণ হৈছে নে নাই জানিবলৈ প্ৰথমে শ্ৰেণীকক্ষত সোমাই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দলত ভাগ কৰি প্ৰতিটো দলৰ মাজত এখনকৈ দফা লিখা কাৰ্ড ভগাই দিছিল। তাৰপাছত পাঠ নং ৮ৰ পৰা দফা এটা উলিয়াই ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিছিল।

দফাটো হ'ল —

"১৯৮১ চনৰ ২৩ ছেপ্তেম্বৰত ভাৰত চৰকাৰৰ নিৰ্দেশ অনুসৰি ড° চৈয়দ কাচিমৰ নেতৃত্বত 'অপাৰেচন গংগোত্ৰী' নামৰ এক অভিযানৰ পৰিকল্পনা কৰা হৈছিল। সেইমৰ্মে ১৯৮১ চনত ৬ ডিচেম্বৰত গোৱাৰ মাৰ্মাগোৱা বন্দৰৰ পৰা অভিযাত্ৰীসকলক লৈ পোলাৰ চাৰ্কেল জাহাজৰ যাত্ৰা আৰম্ভ হৈছিল। যাত্ৰাপথ হৈছিল মাৰ্মাগোৱাৰ পৰা মৰিচাছৰ পোৰ্টলুই বন্দৰলৈ; তাৰে পৰা একেবাৰে কুমেৰুলৈ। ১৬ ডিচেম্বৰত পোলাৰ চাৰ্কেল মৰিচাছৰ লুই বন্দৰত উপস্থিত হৈ তাতে কেইদিনমান অভিযাত্ৰীসকলে জিৰণি লৈছিল। পুনৰ ২২ ডিচেম্বৰত তেওঁলোকে কুমেৰু অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল। ২৭ ডিচেম্বৰত তেওঁলোকে পাইছিলগৈ প্ৰচণ্ডৰূপে গৰজি থকা গৰ্জন মুখৰ 'ফৰ্টিছ' (Roaring Forties)। প্ৰচণ্ড বতাহৰ কোবত উঠলি উঠা প্ৰকাণ্ড-প্ৰকাণ্ড সমুদ্ৰৰ ঢৌৰ গৰ্জনত তেওঁলোকৰ জাহাজে বিপজ্জনকভাৱে ইলুটি-সিলুটি আৰম্ভ কৰিছিল। তাত তেওঁলোকে চাৰিদিন চাৰি ৰাতি অক্লান্ত সংগ্ৰাম কৰি অৱশেষত আগবাঢ়িছিল কুমেৰু অভিমুখে।"

দলত ছাত্ৰ-ছাত্ৰীসকলে পঢ়ি থাকোতে কল্পনা বাইদেউৱে ছাত্ৰ-ছাত্ৰীসকলক নিৰীক্ষণ কৰি আছিল। তেখেতে মন কৰিছিল এজন ছাত্ৰই মন দিব পৰা নাছিল। কথাটো মন কৰি তেখেতে গম পালে যে ছাত্ৰজনৰ জ্বৰ উঠিছিল। কল্পনা বাইদেউৱে ততালিকে ছাত্ৰজনক মৰম কৰি চিন্তা কৰিবলৈ বাধা দি মাকক ফোন কৰি ঘৰলৈ পঠিয়াই দিলে।

সকলোৱে ২-৩ বাৰ পঢ়াৰ পাছত কল্পনা বাইদেৱে কিছুমান প্ৰশ্ন ব'ৰ্ডত লিখি দিছিল। প্ৰশ্নবোৰ হ'ল —

⇨ কাৰ নেতৃত্বত আৰু কিমান চনত 'অপাৰেচন গংগোত্ৰী' নামৰ অভিযানৰ পৰিকল্পনা কৰা হৈছিল ?

⇨ কিমান চনত পোলাৰ চাৰ্কেল জাহাজৰ যাত্ৰা আৰম্ভ হৈছিল ?

এই ক্ৰিয়া-কলাপটোত —

➩ ছাত্ৰ-ছাত্ৰীসকলে কাৰ্ডত থকা শুদ্ধ তথ্যসমূহ প্ৰশ্নবোৰৰ লগত ৰিজাই চিনাক্ত কৰিছে।

➩ প্ৰশ্নৰ উত্তৰবোৰ শুদ্ধভাৱে দিবলৈ দলৰ ভিতৰত আলোচনা কৰিছে।

➩ কবিজনৰ বিষয়ে লাভ কৰা তথ্যৰ তালিকা প্ৰস্তুত কৰিব পাৰিছে।

➩ নিজে লাভ কৰা তথ্যৰ ভিত্তিত স্ব-মূল্যায়ন হৈছে।

*বিঃদ্ৰঃ - শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

ওপৰোক্ত ক্ৰিয়া-কলাপটোৰ নিচিনা আমি শ্ৰেণীকোঠাত এনে ধৰণৰ ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰোঁ আৰু পাঠৰ মূল দিশসমূহ আয়ত্ত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক বিভিন্ন কৌশল প্ৰয়োগ কৰি নিয়মীয়া অভ্যাসৰ জৰিয়তে পাঠ্যবস্তু বুজি পোৱাত সহায় কৰিব পাৰোঁ।

এই ধৰণৰ ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে —

➩ পঠনৰ অন্তৰ্নিহিত প্ৰশ্ন বা পাঠৰ বিষয়বস্তুৰ লগত জড়িত প্ৰশ্নৰ উত্তৰ দিব পাৰিছে।

➩ কবি আৰু সাহিত্যিকসকলৰ জীৱন আৰু কৃতি সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিব পাৰিছে।

➩ পাঠত পোৱা শিকনৰ ফলাফল আৰু নিজে লাভ কৰা অভিজ্ঞতাৰ মাজত সামঞ্জস্য স্থাপন কৰিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ অৰ্থবোধ দৃঢ়ীকৰণৰ বাবে তলৰ প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন —

তলত দিয়া দফাটো পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ লিখা —

দফাটো —

"**পদ্মধৰ চলিহা** (১৮৯৯-১৯৬৯)ৰ জন্ম শিৱসাগৰত। তেখেতৰ পিতৃ ফণীধৰ চলিহা। মাতৃ গুণদালতা স্বদেশ-প্ৰেমী মণিৰাম দেৱানৰ নাতিনীয়েক আছিল। ৰাজহুৱা কাম-কাজত চলিহাই আগ-ভাগ লৈছিল। তেখেতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰিছিল আৰু কাৰাবাসো খাটিবলগীয়া হৈছিল। পদ্মধৰ চলিহাই দেশ-প্ৰেমমূলক অনেক গীত, কবিতা আদি লিখি জাতীয় আন্দোলনত অৰিহণা যোগাইছিল। তেখেত একেধাৰে গীতিকাৰ, কবি আৰু নাট্যকাৰ। তেখেতৰ ৰচিত গীতৰ পুথিসমূহ হ'ল— 'ফুলনি', 'স্বৰাজ সংগীত', 'গীত-লহৰী'। কবিতা পুথি 'শৰাই', 'ৰংপুৰে কথা কয়', পদুমনি' আদি। তেখেতে কেইবাখনো নাট ৰচনা কৰি থৈ গৈছে।

তেখেত ১৯৫৮ চনত তিনিচুকীয়াত বহা সাহিত্য সভাৰ মূল অধিৱেশনৰ সভাপতি আছিল। 'সাদিনীয়া অসম'ৰ সম্পাদক আৰু 'বাঁহী' কাকতৰো তেখেত সহকাৰী সম্পাদক আছিল।"

**প্ৰশ্ন ঃ**

➩ পদ্মধৰ চলিহাৰ ক'ত জন্ম হৈছিল?

➩ তেখেতৰ ৰচিত গীতৰ পুথি কি কি?

➩ তেখেতৰ কবিতা পুথি কেইখনৰ নাম লিখা।

➩ কিমান চনত তেখেত সাহিত্য সভাৰ সভাপতি আছিল?

➩ তেখেতক কি হিচাপে জনা যায়?

**ছাত্ৰ-ছাত্ৰীৰ অনুশীলনী ঃ**

➩ কবিতাটোৰ মূলভাৱটো লিখা।

➩ খালী ঠাই পূৰ কৰা -

ওলট্-পালট্ দেশ, ........................................,<br>
কটাৰীৰো ডাবে ................................;<br>
.................................., একে ঘাটে পানী খালে,<br>
নগৰৰ দেও-লগা ....................................;<br>
— দেও তাতে ফুৰে ....................................।